# প্ৰধানমন্ত্ৰীৰ হিৰোচিমাত মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তি উন্মোচন

মে 20, 2023

20 মে 2023 তাৰিখে জাপানৰ হিৰোচিমাত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তি উন্মোচন কৰে।

উন্মোচনী অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আছে প্ৰধানমন্ত্ৰীৰ বিশেষ উপদেষ্টা তথা সংসদৰ সন্মানীয় সদস্য শ্ৰীযুত নাকাটানি জেন; হিৰোচিমা চহৰৰ মেয়ৰ কাজুমি মাটছুই; হিৰোচিমা চহৰ বিধানসভাৰ অধ্যক্ষ তাটছুনোৰী মটানি; হিৰোচিমাৰ সংসদৰ সদস্য আৰু চৰকাৰী জ্যেষ্ঠ বিষয়াসকল; ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকল; আৰু জাপানত থকা মহাত্মা গান্ধীৰ অনুগামীবৃন্দ।

19-21 মে তাৰিখলৈ জি-7 সন্মিলনৰ বাবে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ উপলক্ষে ভাৰত আৰু জাপানৰ বন্ধুত্ব আৰু সদিচ্ছাৰ প্ৰতীক হিচাপে ভাৰত চৰকাৰে হিৰোচিমা চহৰক  মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তি উপহাৰ দিয়ে।

42 ইঞ্চি উচ্চতাৰ ব্ৰঞ্জৰ আৱক্ষ মূৰ্তিটোৰ ভাস্কৰ্য্য শিল্প প্ৰস্তুত কৰিছে পদ্মভূষণ বঁটা বিজয়ী শ্ৰী ৰাম বঞ্জী সুতাৰে। মট’য়াছু নদীৰ কাষতে থকা এই আবক্ষ মূৰ্তি থকা স্থান ঐতিহ্যমণ্ডিত এ-বম ড’মৰ ওচৰত য’ত প্ৰতিদিনে হাজাৰ হাজাৰ লোকে স্থানীয় লোক আৰু পৰ্যটকে ভ্ৰমণ কৰে।

শান্তি আৰু অহিংসাৰ বাবে সংহতিৰ চিন হিচাপে এই স্থান বাছি লোৱা হৈছে। মহাত্মা গান্ধীয়ে শান্তি আৰু অহিংসাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। স্থানটোৱে সঁচাকৈয়ে গান্ধীজীৰ নীতি আৰু জীৱনৰ সৈতে অনুৰণন ঘটায়, যিয়ে বিশ্ব আৰু ইয়াৰ নেতাসকলক অনুপ্ৰাণিত কৰি আহিছে।

**হিৰোচিমা**

**মে 20, 2023**